# AISSCE 2020

Subject : Assamese
Code :114 Class : XII
Maximum Marks : 80 Time : 3 hours

## BLUE PRINT (FOR LANGUAGES)

| Objective | Knowledge | | | Understanding | | | Application | | | TOTAL | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| Form of Questions Content Unit | LA | SA | VSA | LA | SA | VSA | LA | SA | VSA | LA | SA | VSA |
| Comprehension A | | | (3)2 | | (3) 2 | | | | 3(1) | | 12 | 3 |
| WRITING B | (1) 5 | | | 2(5) | | | (1)5 | | | 20 | | 5 |
| C. Grammar | | | (8)1 | | | (4)1 | | | (8)1 | | | 20 |
| D. Literature Prose | (1) 4 | | | 1(4) | | | | | 1(2) | 4 | 2 | 4 |
| Poetry | | 1(4 ) | | 1(4) | | | | | 1(2) | 4 | 2 | 4 |
| Supplementary Reader | | | | | | | | | | | | |
| Sub Total | 5 | 14 | 8 | 18 | 6 | 4 | 5 | | 20 | 28 | 16 | 36 |
| Total | 5 | 14 | 8 | 18 | 6 | 4 | 5 | | 20 | 28 | 16 | 36 |

Note: 1. please put the number of question within brackets and the marks outside the bracket
2.Put(*) to denote that marks have been combined to form one question( different symbols to be used, if there are more than one question of this type).

Summary

Long Answer ( LA) No.5 Marks:37
Short Answer (SA) No.10 Marks:20
Very Short Answer (VSA) No.23 Marks : 23
Scheme of Options :
Scheme of Sections :
Delete whichever is not applicable.

Scanned by CamScanner

# Sample Paper - 2020
## Subject : Assamese
### Code - 114
### Class - XII

**SET - 2**

**Time allowed 3 hours** — **Maximum Number : 80**

Section A : Reding (Comprehension) 15 Marks
B : Writing 25 Marks
C : Grammer 20 Marks
D : Literature /Tax Books 20 Marks

## Section - A

1. তলত দিয়া অনুচ্ছেদ কেইটা ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ লিখাঃ

পৃথিৱীত শিল্পোদ্যোগ বিকাশ হোৱাৰ আগতে বায়ু, পানী, মাটি সকলো প্ৰদূষণ মুক্ত আছিল। মানুহ, জীৱ-জন্তু, উদ্ভিদ সকলো সুস্থভাৱে জীয়াই থাকিবৰ বাবে বায়ু, পানী আৰু মাটিৰ পৰিৱেশ প্ৰদূষণমুক্ত হ'ব লাগে। জীৱ জগতে বায়ুত থকা অক্সিজেন ভাগ গ্ৰহণ কৰি কাৰ্বন-ডাই-অক্সাইড এৰি দিয়ে। উদ্ভিদে কাৰ্বন-ডাই অক্সাইড গ্ৰহণ কৰি অক্সিজেন এৰি দিয়ে। এইদৰে জীৱ আৰু উদ্ভিদৰ মাজত সমতা ৰক্ষা কৰিবলৈ বায়ু সদায় প্ৰদূষণ মুক্ত হৈ থকা আৱশ্যক। পানী প্ৰাণীৰ প্ৰাণ। কৃষি উৎপাদনৰ পৰা আৰম্ভ কৰি, খোৱা, কাপোৰ কানি ধোৱা, বাচন-বৰ্তন ধোৱা সকলো কামতে বিশুদ্ধ পানীৰ প্ৰয়োজন। মাটি প্ৰদূষণ মুক্ত হৈ থাকিলেহে মানুহ, জীৱ-জন্তু, উদ্ভিদ এটা অনুকূল পৰিস্থিতিৰ মাজত জীয়াই থাকিব পাৰিব।

বায়ুমণ্ডলত নাইট্ৰ'জেন, অক্সিজেন, কাৰ্বন-ডাই-অক্সাইড, হাইড্ৰ'জেন আদি গেছবোৰৰ উপৰিও ধূলিকণা, জলীয়বাষ্প আদি থাকে। বিভিন্ন কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা ধোঁৱা আৰু বিভিন্ন গেছৰ ৰাসায়নিক কণিকাই বায়ুমণ্ডল প্ৰদূষিত কৰি তুলিছে।

শিল্পোদ্যোগসমূহ আৰু নগৰ অঞ্চলৰ আৱৰ্জনাবোৰো নলা-নৰ্দমা বিলাকেৰে গৈ মাটি বা পানী দূষিত কৰিছে। কৃষিভূমিত ব্যৱহাৰ কৰা ৰাসায়নিক সাৰ, কীটনাশক ঔষধ মিহলি পানী বৈ আহি নৈ-বিলৰ পানী দূষিত কৰিছে। বৰ্তমান নদীবোৰেদি উটি যোৱা প্লাষ্টিকৰ আৱৰ্জনাই সাগৰ-মহাসাগৰত প্ৰদূষণ সৃষ্টি কৰিছে।

বায়ু, পানী আৰু মাটি প্ৰদূষিত হৈ পৰাৰ উপৰিও কল-কাৰখানাৰ শব্দ, ৰেল-মটৰ-উৰাজাহাজৰ শব্দ আদিয়ে শব্দ প্ৰদূষণৰ সৃষ্টি কৰি পৰিৱেশ দূষিত কৰি তুলিছে।

i) বায়ুমণ্ডলত কি কি উপাদান থাকে? 2

ii) নৈ-বিলৰ পানী কিয় দূষিত হয়? 2

iii) সাগৰ-মহাসাগৰবোৰ প্ৰদূষিত হোৱাৰ কাৰণ কি? 2

iv) পানী কি কি কামত ব্যৱহাৰ হয়? 2

v) বায়ুমণ্ডল কি কাৰণত প্ৰদূষিত হয়? 2

vi) আমাৰ পৰিৱেশ প্ৰদূষণ মুক্ত কৰিবলৈ হ'লে কি কৰিব লাগিব? 2

vii) বিপৰীত অৰ্থবোধক শব্দ—
আৰম্ভ 1

viii) অনুচ্ছেদটোত "প্ৰদূষিত" শব্দটোৰ লগত মিল থকা আন এটা শব্দ বাছি উলিয়াই লিখা। 1

ix) বিশেষ্য পদলৈ নিয়া —
জলীয় 1

Scanned by CamScanner

## Section - B

2. তলত দিয়া যিকোনো এটা বিষয় লৈ দুশ (২০০) মান শব্দৰ ভিতৰত এখন ৰচনা লিখা ঃ 5

i) সন্ত মাদাৰ টেৰেছা

ii) অ'লম্পিক খেলত ভাৰতীয় খেলুৱৈ সকলে কিয় সোণৰ পদক জয় কৰিব নোৱাৰে।

অথবা

তলত দিয়া ইংগিতবোৰৰ সহায়ত দুশমান শব্দৰ ভিতৰত শিৰোনামাৰে সৈতে এটা গল্প লিখা আৰু তাৰ নীতি কথাও উল্লেখ কৰিবা। 1+3+1=5

নেপোলিয়ন বোনাপাৰ্টৰ পঢ়াদিন ———— স্কুলৰ ওচৰত ফল-মূলৰ দোকান ———— বুঢ়ী দোকানী ———— বাকী পৰিশোধ নহ'ল ———— নেপোলিয়ন সেনাপতি হ'ল ———— বুঢ়ীক বিচাৰি আহিল ———— বুঢ়ীয়ে ভয় খালে ——— বাকী পৰিশোধ কৰিলে ——— বুঢ়ীৰ মনত পৰিল।

3. তোমাৰ অঞ্চলত "স্বচ্ছ ভাৰত অভিযান"ৰ লগত সংগতি ৰাখি পতা অনুষ্ঠানটোৰ বিষয়ে জনাই বাতৰি কাকতলৈ প্ৰতিবেদন যুগুত কৰা। 5

4. যিকোনো এটা ফকৰা-যোজনা লিখা — 5

i) সাপ মাৰি নেগুৰত বিহ থোৱা।

ii) হলা গছত আটায়ে বাগী কুঠাৰ মাৰে।

5. ভাৱ সম্প্ৰসাৰণ কৰা (যিকোনো এটা)

i) শৃংখলাবোধ ব্যক্তি, সমাজ, জাতি অথবা দেশৰ উন্নতিৰ কাৰণ।

ii) স্বাৰ্থৰ বাটত দুখৰ কাঁইট
খোজে পতি বিন্ধে হুলে,
নিস্বাৰ্থৰ বাট সেন্দুৰীয়া আলি
সুগন্ধি কুমসুম ফুলে।

6. অৰ্থসহ বাক্য ৰচনা কৰা - (যিকোনো ৫ টা) 5

(i) আটোমটোকাৰি (ii) আঁচলৰ ধন, (iii) খাৰি ডাঠ, (iv) চুঙাৰ বাদুলি, (v) ঠেকত পেলা (vi) বগলী ভকত

## Section - C

7. তলত দিয়া শব্দবোৰৰ 'স' বোৰ 'ষ' হোৱাৰ কাৰণ উল্লেখ কৰা। 4

কষ্ট, ভূমিষ্ঠ, গ্ৰীষ্ম, বিষম।

8. i) তলত দিয়া সমাসৰ ব্যাস বাক্য ভাঙি দেখুৱা — 4

হৃষ্টপুষ্ট, পদ্মলোচন, অনন্ত, ত্ৰিফলা

ii) শূল আছে পানিত যাৰ, পঞ্চ অমৃতৰ সমাহাৰ, স্থিৰ হৈছে প্ৰতিজ্ঞা যাৰ, পিতল বৰণৰ যি চকু। 4

9. তলত আঁচ মৰা শব্দসমূহৰ বিভক্তি নিৰ্ণয় কৰা — 1x2=2

i) <u>শিক্ষাৰ</u> অৰ্থে তেওঁ বিলাতলৈ গ'ল।

ii) কথাটো <u>তেওঁৰ পৰা</u> শুনিলোঁ।

10. "পুঞ্জ" "লানি" এই বহুবচনৰ চিন ব্যৱহাৰ কৰি দুটা বাক্য লিখা। 1x2=2

11. এটা শব্দ প্ৰকাশ কৰা —

i) যিটো সুধিবলগীয়া — 1x4=4

ii) যি পৰিনাম চিন্তা কৰি কাম কৰে

iii) যি কাৰো পক্ষৰ বা ফলীয়া। নহয় —

iv) প্ৰাণক পণ কৰি —

Scanned by CamScanner

## Section - D

12. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা - 4x1=4

i) লক্ষ্মীনাথ বেজবৰুৱাৰ মতে বিদেশী নাটকৰ অসমীয়া অনুবাদ কেনে হোৱা উচিত বুজাই লিখা।

ii) 'মগনিয়াৰ' পাঠটিত কথা কবিতাৰ কি কি লক্ষণ পৰিস্ফুট হৈছে।

iii) 'চিঠি' গল্পটিৰ নামাকৰণৰ সাৰ্থকতা বিচাৰ কৰা।

13. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা । 2x1=2

i) ভূদেৱ চৌধুৰীয়ে প্ৰশান্ত শৰ্মালৈ কিয় চিঠি লিখিছিল।

ii) আনন্দ ৰাম বৰুৱাৰ কোনবোৰ গুণ সদায় অনুকৰণ কৰিলগীয়া ।

iii) লক্ষ্মীনাথ বেজবৰুৱাৰ গুৱাহাটীক ভাল লগাৰ তিনিটা কাৰণ উল্লেখ কৰা।

14. তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা – 1x4=4

i) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত এখন ধেমেলীয়া নাটকৰ নাম লিখা।

ii) যতীন্দ্ৰ নাথ দুৱৰাক কি কবি বুলি কোৱা হয়?

iii) ভাৰতত শিক্ষা শেষ কৰি আনন্দ ৰাম বৰুৱা কলৈ গৈছিল?

iv) শীলভদ্ৰই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

15. প্ৰসঙ্গ সংগতি দৰ্শাই ব্যাখ্যা কৰা (যিকোনো এছোৱা)– 4x1=4

i) আজি জনতাৰ আলোক বিজয়ী
অপূৰ্ব অভিযান
আজি পৃথিৱীৰ আকাশে আকাশে
জনতাৰ আহ্বান,
নৱজীৱনৰ মহা সংঘাতে কঁপায় বৰ্তমান।

ii) আঘোণৰ পথাৰৰ দাৱনীৰ কাম আছে
মুঠি মুঠি কাচি ডাঙৰি ডাঙৰি,
কাম আছে,
আঘোণৰ পথাৰত কাম আৰু কাম।

16. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা। 2x1=2

i) কেশৱ মহন্তৰ দুখন কবিতা পুথিৰ নাম লিখা।

ii) বৰগীত কাক বোলে? বৰগীতৰ বিষয় বস্তুক কেইটা ভাগত ভগাব পাৰি? ভাগসমূহ উল্লেখ কৰা।

iii) কবিয়ে ঈশ্বৰক কিয় বিশ্ব খনিকৰ বুলি কৈছে।

17. তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা – 1x4=4

i) মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱে কিমানটা বৰগীত ৰচনা কৰিছিল?

ii) মফিজুদ্দিন আহমেদ হাজৰিকা কোন যুগৰ কবি?

iii) জ্যোতি প্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটকখনৰ নাম লিখা।

iv) 'পছোৱা' আলোচনী কোনগৰাকী সাহিত্যিকে সম্পাদনা কৰিছিল?

---------X--------

Scanned by CamScanner

**Sample Paper 2020**
**Answer Scheme**
**Subject : Assamese**
**Code - 114**
**Class - - XII**

**Set - 2**
**Maximum Number : 80**

**Time allowed 3 hours**

| | | |
|---|---|---|
| Section A : | Reding (Comprehension) | 15 Marks |
| B : | Writing | 25 Marks |
| C : | Grammer | 20 Marks |
| D : | Literature /Tax Books | 20 Marks |

## Section - A

1. i) বায়ুমণ্ডলত নাইট্ৰজেন, অক্সিজেন,কাৰ্বন-ডাই-অক্সাইড, হাইড্ৰজেন আদি গেছবোৰৰ উপৰিও ধূলিকণা, জলীয়বাষ্প আদি থাকে। 2

ii) শিল্পদ্যোগসমূহ আৰু শিল্পোদ্যোগসমূহ আৰু নগৰ অঞ্চলৰ আৱৰ্জনাবোৰো নলা-নৰ্দমা বিলাকেৰে গৈ মাটি বা পানী দূষিত কৰিছে। কৃষিভূমিত ব্যৱহাৰ কৰা ৰাসায়নিক সাৰ, কীটনাশক ঔষধ মিহলি পানী বৈ আহি নৈ-বিলৰ পানী দূষিত কৰিছে 2

iii) শিল্পদ্যোগসমূহৰ নগৰ অঞ্চলৰ আৱৰ্জনাবোৰো নলা-নৰ্দমা বিলাকেৰে গৈ মাটি বা পানী দূষিত কৰিছে। কৃষিভূমিত ব্যৱহাৰ কৰা ৰাসায়নিক সাৰ, কীটনাশক ঔষধ মিহলি পানী বৈ আহি নৈ-বিলৰ পানী দূষিত কৰিছে। বৰ্তমান নদীবোৰেদি উটি যোৱা প্লাষ্টিকৰ আৱৰ্জনাই সাগৰ-মহাসাগৰত প্ৰদূষণ সৃষ্টি কৰিছে। 2

iv) পানী প্ৰাণীৰ প্ৰাণ। কৃষি উৎপাদনৰ পৰা পানী প্ৰাণীৰ প্ৰাণ। কৃষি উৎপাদনৰ পৰা আৰম্ভ কৰি, খোৱা, কাপোৰ কানি ধোৱা, বাচন-বৰ্তন ধোৱা সকলো কামতে বিশুদ্ধ পানীৰ প্ৰয়োজন। 2

v) বায়ুমণ্ডল বায়ু, পানী আৰু মাটি প্ৰদূষিত হৈ পৰাৰ উপৰিও কল-কাৰখানাৰ শব্দ, ৰেল-মটৰ-উৰাজাহাজৰ শব্দ আদিয়ে শব্দ প্ৰদূষণৰ সৃষ্টি কৰি পৰিৱেশ দূষিত কৰি তুলিছে। বায়ুমণ্ডল প্ৰদূষিত কৰি তুলিছে 2

vi) ছাত্ৰ-ছাত্ৰীয়ে নিজেই বুজি অনুচ্ছেদটোৰ লগত সংগতি ৰাখি উত্তৰ লিখিব। 2

vii) শেষ, সমাপ্ত। 1

viii) দূষিত 1

ix) জল 1

## Section - B

2. i) তলত দিয়া যিকোনো এটা বিষয় লৈ দুশ (২০০) মান শব্দৰ ভিতৰত এখন ৰচনা লিখা ঃ 5

নাইবা

ii) ছাত্ৰ-ছাত্ৰীয়ে সংকেতিক বাক্যৰ সহায়ত গল্পটো লিখি এটা উপযুক্ত শিৰোনামা আৰু এটা নীতিশিক্ষা লিখিব 1+3+1=5

3. প্ৰতিবেদন লিখোতে ছাত্ৰ-ছাত্ৰীয়ে এটা আকৰ্ষনীয় শিৰোনামা দি বিদ্যালয় সংবাদদাতা বা স্থানীয় সংবাদদাতা, স্থান, তাৰিখ আদি লিখি প্ৰতিবেদনখনত বিদালয়ৰ নাম সংকেতিক চিনত লিখি চমুকৈ প্ৰস্তুত কৰিব। আবেদন হিচাপে সম্পাদকলৈ লিখিব নালাগে। 5

4. যিকোনো এটা ফকৰা-যোজনাৰ গুঢ়াৰ্থ বুজাই লিখিব। 5

5. ছাত্ৰী-ছাত্ৰীয়ে উল্লেখ কৰা বাক্য আৰু পদ্যাংশ পঢ়ি তাৰ যিকোনো এটাৰ ভাব বুজাই লিখিব। 5

6. তলত দিয়া বিশেষ বিশেষ শব্দৰ অৰ্থ লিখাৰ লগতে শব্দটোৰ বাক্য ৰচনা কৰিব। 5

15-5-19 15/5/19

Scanned by CamScanner

## Section - C

7. কণ্ঠ-ট বৰ্গৰ বৰ্ণৰ লগত যুক্ত দন্ত্য স মূৰ্দ্ধন্য ষ হয়। 1x4=4 -

ভূমিষ্ঠ- ভূমি, গো, অংগু শব্দৰ পিছত থকা স্থা শব্দৰ স আৰু যুধি শব্দৰ পিছত থকা স্থিৰ শব্দৰ দন্ত্য স মূৰ্দ্ধণা ষ হয়।

গ্ৰীষ্ম - কিছুমান শব্দত স্বাভাৱিকতে মূৰ্দ্ধন্য ষ হয়।

বিষয় - সু, বি উপসৰ্গৰ পিছত থকা সম শব্দৰ স মূৰ্দ্ধন্য ষ হয়।

8. i) হৃষ্ট-পুষ্ট - যি হৃষ্ট সি পুষ্ট /পদ্মলোচন - পদ্মৰ নিচিনা লোচন/অনন্ত-অন্ত নাইযাৰ/ত্ৰিফলা-ত্ৰিফলৰ সমাহাৰ 1x4=4

ii) শূল আছে পাণিত যাৰ-শূলপাণি 1x4=4

পঞ্চ অমৃতৰ সমাহাৰ - পঞ্চামৃত

স্থিৰ হৈছে প্ৰতিজ্ঞা যাৰ-স্থিৰ প্ৰতিজ্ঞ

পিতল বৰণৰ যি চকু - পিতলাচকু

9. i) ষষ্ঠী বিভিক্তি ii) পঞ্চমী বিভক্তি – 1x2=2

10. "পুঞ্জ" "লানি" এই বহুবচনৰ চিন ব্যৱহাৰ কৰি একোটাকৈ বাক্য ৰচনা কৰা। 1x2=2

11. এটা শব্দত প্ৰকাশ কৰা – 1x4=4

(i) জিজ্ঞাস্য (ii) পৰিনামদৰ্শী, (iii) নিৰপেক্ষ, (iv) প্ৰাণপনে

## Section - D

12. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা - 4x1=4

i) পাঠভিত্তিক কথাখিনি ছাত্ৰ-ছাত্ৰীয়ে লিখিব

ii), iii) পাঠভিত্তিক কথাখিনি উত্তৰ ৰূপে লিখা।

13. যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা। 2x1=2

i), ii), iii) তিনিওটা প্ৰশ্নৰ উত্তৰ পাঠৰ লগত সংগতি থকাকৈ লিখিব লাগিব।

14. তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা – 1x4=4

i) লিতিকাই/পাচনি/নোমল/চিকৰপতি-নিকৰপতি (যিকোনা এখন)

ii) বনফুলৰ কবি, iii) ইউৰোপলৈ, iv) মধুপুৰ বহুদূৰ

15. পাঠৰ লগত সংগতি ৰাখি যিকোনো এছোৱাৰ ব্যাখ্যা কৰিব 4x1=4

16. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা। 2x1=2

i) (আমাৰ পৃথিৱী, আগন্তুক, তোমাৰ তেজ, মোৰ শুকান কলিজাৰ কুঁহিপাত, ৰ'দ জিলিকমিকি, কুঁৱলী আতৰি যা, দিশ ধুৱলী বৰণ বুকুত এজাক ধুমুহা) যিকোনো দুখন

ii) আৰু iii) পাঠৰ লগত সংগতি ৰাখি উত্তৰ লিখিব

17. i) ১৫৭ টা ii) জোনাকী যুগৰ কবি-সাহিত্যিকসকলৰ সম সামিয়ক, iii) শোণিত কুঁৱৰী (iv) সাহিত্যিক - হেমবৰুৱা

1x4=4

---------x----------

Scanned by CamScanner